ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# মুছলিম বিবাহ-ভঙ্গ অধিনিয়ম, ১৯৩৯

(১৯৩৯ ৰ ৮ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Dissolution of Muslim Marriage Act, 1939

(Act No. 8 of 1939)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান মুছলিম বিবাহ-ভঙ্গ অধিনিয়ম, ১৯৩৯ (১৯৩৯ ৰ ৮ নং) ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ—১, নং ১, খণ্ড ১ ৰ পৃষ্ঠা ১৪ ৰ পৰা ১৬ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ ৰ খণ্ড (ক) ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হ'ব।

## PREFACE

This edition of the Dissolution of Muslim Marriage Act, 1939 (8 of 1939) as on the 1st April, 1990 contains the authorised translation of the Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, vol. 1 dated 7th September, 1990 on pages 14 to 16.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi,
Date 12-1 0-90

V.S. RAMA DEVI,
Secretary to the Govt. of India.

# মুছলিম বিবাহ-ভঙ্গ অধিনিয়ম, ১৯৩৯

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ


১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ ।

২। বিবাহ-ভঙ্গ ডিক্ৰীৰ বাবে আধাৰ ।

৩। যেতিয়া স্বামীৰ থকা ঠাই জনা নাযায় তেতিয়া স্বামীৰ উত্তৰাধিকাৰী সকলৰ ওপৰত জাননী জাৰি কৰিব লাগিব ।

৪। অন্য ধৰ্ম গ্ৰহণৰ ফল ।

৫। মোহৰাণাৰ অধিকাৰত প্ৰভাৱ নপৰে ।

## মুছলিম বিবাহ-ভঙ্গ অধিনিয়ম, ১৯৩৯
### ১৯৩৯ চনৰ ৮ নং অধিনিয়ম
(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)

[১৭ মাৰ্চ, ১৯৩৯]

মুছলিম বিধিৰ অধীনত বিবাহিতা তিৰোতাৰ দ্বাৰা কৰা বিবাহ-ভঙ্গ মোকদ্দমাৰ সম্পৰ্কত মুছলিম বিধিৰ উপবন্ধসমূহ একত্ৰিত আৰু স্পষ্ট কৰিবৰ বাবে, তথা কোনো বিবাহিতা মুছলিম তিৰোতাই ইছলাম ধৰ্ম ত্যাগ কৰিলে তেওঁৰ বিবাহ বন্ধনৰ ওপৰত হোৱা প্ৰভাৱ সম্বন্ধীয় সন্দেহ দূৰীকৰণৰ বাবে এক অধিনিয়ম।

যিহেতু মুছলিম বিধিৰ অধীনত বিবাহিতা তিৰোতাৰ দ্বাৰা কৰা বিবাহ-ভঙ্গ মোকদ্দমাৰ সম্পৰ্কত মুছলিম বিধিৰ উপবন্ধ সমূহ একত্ৰিত আৰু স্পষ্ট কৰাটো, তথা কোনো বিবাহিতা মুছলিম তিৰোতাই ইছলাম ধৰ্ম ত্যাগ কৰিলে তেওঁৰ বিবাহ-বন্ধনৰ ওপৰত হোৱা প্ৰভাৱ সম্বন্ধীয় সন্দেহ দূৰ কৰাটো সমীচীন, সেইবাবে এতদ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হৈছে —

**সংক্ষিপ্ত নাম আৰু বিস্তাৰ।**

১। (১) এই অধিনিয়ম মুছলিম বিবাহ-ভঙ্গ অধিনিয়ম, ১৯৩৯ বুলি অভিহিত হব।

(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰততে হব।

পৰন্তু, এই অধিনিয়মৰ কোনো কথাই পণ্ডিচেৰী সংঘ ৰাজ্যক্ষেত্ৰৰ 'ৰিনোচাঁ' সকলৰ ওপৰত প্ৰযোজ্য নহব।

**বিবাহ ভঙ্গ ডিক্ৰীৰ বাবে আধাৰ।**

২। মুছলিম বিধিৰ অধীনত বিবাহিতা কোনো তিৰোতাই নিম্নলিখিত যিকোনো বা একাধিক আধাৰত তেওঁৰ বিবাহ-ভঙ্গৰ বাবে ডিক্ৰী প্ৰাপ্ত কৰিবলৈ হকদাৰ হব, যেনে —

(i) চাৰি বছৰ কাল স্বামীৰ থকা ঠাইৰ সন্ধান জনা নগলে ;

(ii) দুবছৰ কাল ধৰি স্বামীয়ে তেওঁৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰাত অৱহেলা কৰিলে বা অপাৰগ হলে ;

(iii) স্বামী সাত বছৰ বা ততোধিক কালৰ বাবে কাৰাদণ্ডৰে দণ্ডিত হলে ;

(iv) স্বামীয়ে তিনিবছৰলৈ যুক্তিসঙ্গত কাৰণ বিনা বৈবাহিক দায়িত্ব পালন কৰিবলৈ অপাৰগ হলে ;

(v) স্বামী বিবাহৰ সময়ত পুৰুষত্বহীন হলে আৰু তেনে অৱস্থা চলি থাকিলে ;

(Vi) স্বামী দুবছৰ ধৰি বলিয়া হলে অথবা কুষ্ঠ বা উৎকট যৌন ৰোগত ভুগি থাকিলে ;

(vii) পোন্ধৰ বছৰ বয়স পূৰ্ণ হোৱাৰ পূৰ্বে পিতৃ বা আন অভিভাৱকৰ দ্বাৰা বিয়া দিয়াৰ পিচত আৰু ওঠৰ বছৰ বয়স পূৰ্ণ হোৱাৰ পূৰ্বে তেনে ছোৱালীয়ে সেই বিবাহ নিৰাকৃত কৰিলে ; পৰন্তু, সেই বিবাহৰ বিবাহোত্তৰ সম্ভোগ হ'ব নালাগিব,

(viii) স্বামীয়ে তেওঁৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰ কৰিলে, অৰ্থাৎ —

(ক) অভ্যাসগত ভাবে তেওঁক মাৰপিট কৰিলে অথবা নিষ্ঠুৰ আচৰণৰ দ্বাৰা তেওঁৰ জীৱন শোকাবহ কৰি তুলিলে, লাগিলে তেনে আচৰণ শাৰীৰিক দুৰ্ব্যৱহাৰৰ শাৰীত নপৰকেই ; অথবা -

(খ) কুখ্যাত স্ত্ৰীৰ লগত সঙ্গ কৰিলে বা অসৎজীৱন যাপন কৰিলে ; অথবা

(গ) অনৈতিক জীৱন যাপন কৰিবৰ বাবে স্ত্ৰীক জোৰ-জুলুম কৰিব খুজিলে ; অথবা

(ঘ) স্বামীয়ে তেওঁৰ সম্পত্তি ব্যয়ন কৰিলে বা সেই সম্পত্তিৰ ওপৰত থকা তেওঁৰ বৈধ অধিকাৰ প্ৰয়োগ কৰাত তেওঁক বাধা দিলে, অথবা

(ঙ) ধৰ্মীয় বৃত্তি ব্যৱসায় পালনত তেওঁক বাধা দিলে, অথবা

(চ) যদি স্বামীৰ একাধিক পত্নী থাকে, তেন্তে কোৰাণৰ আদেশানুসাৰে তেওঁৰ প্ৰতি ন্যায় আচৰণ নকৰিলে ;

(ix) মুছলিম বিধৰ অধীনত বিবাহ-ভঙ্গৰ কাৰণে বিধিমান্য বুলি স্বীকৃতি প্ৰাপ্ত আন যিকোনো আধাৰত :

পৰন্তু —

(ক) আধাৰ (iii) ৰ ওপৰত যেতিয়ালৈকে দণ্ডাদেশ চূড়ান্ত নহয় তেতিয়ালৈকে কোনো ডিক্ৰী পাৰিত কৰিব নোৱাৰিব,

(খ) আধাৰ (i) ৰ ওপৰত পাৰিত কোনো ডিক্ৰী তেনে ডিক্ৰীৰ তাৰিখৰ পৰা ছমাহলৈ প্ৰভাৱী নহ'ব, আৰু যদি সেই সময়ৰ ভিতৰত স্বামীয়ে নিজে বা আন কোনো প্ৰাধিকৃত অভিকৰ্তাৰ যোগে হাজিৰ হয় আৰু দাম্পত্য জীৱনৰ কৰ্তব্য পালন কৰিবলৈ প্ৰস্তুত থকা বুলি ন্যায়ালয়ক সন্তুষ্ট কৰিব পাৰে, তেন্তে আদালতে সেই ডিক্ৰী ৰদ কৰিব, আৰু

(গ) আধাৰ (v) ৰ ওপৰত কোনো ডিক্ৰী পাৰিত কৰাৰ পূৰ্বে স্বামীয়ে ন্যায়ালয়ত আবেদন কৰিলে, ন্যায়ালয়ে এনে আদেশ দিব যে সেই আদেশৰ তাৰিখৰ পৰা এবছৰৰ ভিতৰত স্বামীয়ে ন্যায়ালয়ক সন্তুষ্ট কৰিব লাগিব যে তেওঁ পুৰুষত্বহীন হৈ থকা নাই আৰু যদি স্বামীয়ে ন্যায়ালয়ক এইদৰে সন্তুষ্ট কৰে তেনেহলে সেই আধাৰৰ ওপৰত কোনো ডিক্ৰী পাৰিত নকৰিব ।

যেতিয়া স্বামীৰ থকা ঠাই জনা নাযায় তেতিয়া স্বামীৰ উত্তৰাধিকাৰী সকলৰ ওপৰত জাননী জাৰি কৰিব লাগিব ।

৩। যি মোকৰ্দ্দমাত ধাৰা ২ ৰ খণ্ড (i) প্ৰযোজ্য হয় —

(ক) বাদনামা দাখিল কৰা তাৰিখত স্বামীৰ মৃত্যু হলে, মুছলিম বিধি অনুসাৰে যিসকল তেওঁৰ উত্তৰাধিকাৰী হ'লহেতেন, সেই সকল ব্যক্তিৰ নাম আৰু ঠিকনা বাদনামাত (আৰ্জিত) উল্লেখ কৰিব লাগিব,

(খ) এনে ব্যক্তিৰ ওপৰত মোকৰ্দ্দমাৰ নোটিছ জাৰি কৰিব লাগিব, আৰু

(গ) মোকৰ্দ্দমাত শুনানীৰ বাবে এনে ব্যক্তি সকলৰ অধিকাৰ থাকিব ঃ

পৰন্তু —

স্বামীৰ খুড়াক আৰু ভায়েক থাকিলে উত্তৰাধিকাৰী নহলেও তেওঁলোকক এনে মোকৰ্দ্দমাৰ অন্তৰ্ভুক্ত কৰিব লাগিব ।

অন্য ধৰ্ম গ্ৰহণৰ ফল ।

৪। এগৰাকী বিবাহিতা মুছলমান তিৰোতাই ইছলাম ধৰ্ম ত্যাগ কৰিলেই অথবা তেওঁ ইছলামৰ বাহিৰে আন ধৰ্ম্মত দীক্ষিত হলেই তেওঁৰ বিবাহ-ভঙ্গ নহব ঃ

পৰন্তু এই ধাৰাৰ উপবন্ধ সমূহ আন ধৰ্মৰ পৰা ইছলাম ধৰ্মত ধাৰা ২ ত উল্লিখিত যিকোনো আধাৰত তেওঁৰ বিবাহ-ভঙ্গৰ বাবে ডিক্ৰী লাভ কৰিবলৈ হক্‌দাৰ হব ঃ

পৰন্তু এই ধাৰাৰ উপবন্ধ সমূহ আন ধৰ্মৰ পৰা ইছলাম ধৰ্মত দীক্ষিত হৈ পূৰ্ব ধৰ্ম্ম গ্ৰহণ কৰা তিৰোতাৰ ক্ষেত্ৰত প্ৰযোজ্য নহব ।

মোহৰাণাৰ অধিকাৰত প্ৰভাৱ নপৰে ।

৫। এই অধিনিয়মৰ কোনো কথাই কোনো বিবাহিতা তিৰোতাৰ বিবাহ-ভঙ্গ হলে মুছলিম বিধিৰ অধীনত মোহৰাণা বা তাৰ কোনো ভাগৰ ওপৰত থকা তেওঁৰ অধিকাৰৰ ওপৰত কোনো প্ৰভাৱ নেপেলাব ।

৬। [১৯৩৭ চনৰ অধিনিয়ম নং ২৬ ৰ ধাৰা ৫ ৰ নিৰসন] নিৰসন তথা সংশোধন অধিনিয়ম, ১৯৪২ ৰ ধাৰা ২ তথা অনুসূচী ১ৰ দ্বাৰা নিৰসিত ।